# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 29-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। দিনজোৰা ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি কিছুসময়ৰ পূৰ্বে গুৱাহাটীত উপস্থিত। বিমান বন্দৰত গৃহমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰীৰ আদৰণি।

২। আজি বটদ্ৰৱা প্ৰকল্প আৰু গুৱাহাটীৰ আৰক্ষী আয়ুক্ত কাৰ্যালয় উদ্বোধনী অনুষ্ঠান।

৩। স্বনামধন্য কবি, শিশু সাহিত্যিক, ঔপন্যাসিক নৱকান্ত বৰুৱাৰ ওপজা দিনটো আজি কবিতাৰ দিন হিচাপে পালন।

আৰু

৪। হাটশিঙিমাৰীত ২৭ ডিচেম্বৰৰ পৰা ৫৯ সংখ্যক আন্তঃ জিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপ।

০০০০০০০

দিনজোৰা ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি কিছুসময়ৰ পূৰ্বে গুৱাহাটীত উপস্থিত হৈছে। বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত গৃহমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে জ্যেষ্ঠ নেতাসকলে আদৰণি জনায়। বিমান বন্দৰৰ পৰা গৃহমন্ত্ৰীগৰাকী বটদ্ৰৱালৈ যাব। তেওঁ বটদ্ৰৱাত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে ভালেমান কাৰ্যসূচীত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বটদ্ৰৱাত ৰাজ্য চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। শ্ৰীশ্বাহে আজি বৰদোৱাত এটা ৰাজহুৱা সমদলতো অংশলোৱাৰ কথা।

উল্লেখযোগ্য যে ২২২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা বটদ্ৰৱা প্ৰকল্পত গুৰু আসন ভৱন, মণিকাঞ্চন নামঘৰ, দক্ষতা বিকাশ কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, কলা কেন্দ্ৰ, নাটঘৰ, দহটা জনগোষ্ঠীয় কুটিৰকে ধৰি বিভিন্ন ব্যৱস্থা থাকিব। বটদ্ৰৱাৰ এই অনুষ্ঠান সন্দৰ্ভত এয়া নগাঁৱৰ পৰা আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া –

বাইট

গৃহমন্ত্ৰীগৰাকীয়ে আন্তঃগাঁথনি উন্নয়নৰে ৰাজ্যৰ আইন-শৃংখলা ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে গুৱাহাটীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু স্বয়ংচালিত নগৰ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰিব। ১১১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱনত ৪০০ গৰাকী বিষয়াৰ বাবে সু-ব্যৱস্থা থকাৰ উপৰি আৰক্ষীৰ সকলো শাখা সংযুক্ত কাৰ্যালয়, একত্ৰিত প্ৰমাণীকৰণ শাখা আদি থাকিব। শ্ৰী শ্বাহে খানাপাৰাত

নৱ-নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যধুনিক দৃশ্য-শ্ৰাব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি বহুবোৰ উন্নত মানৰ ব্যৱস্থা থাকিব। গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰেক্ষাগৃহতে জন্মগতভাৱে থকা হৃদৰোগৰ পৰা সুস্থ হোৱা এহেজাৰ শিশুৰ অভিবাদন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল’ব। শ্ৰীশ্বাহে বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাব।

০০০০০০০

স্বনামধন্য কবি, শিশু সাহিত্যিক, ঔপন্যাসিক নৱকান্ত বৰুৱাৰ ওপজা দিনটো আজি কবিতাৰ দিন হিচাপে পালন কৰা হৈছে। এখুদ ককাইদেউ হিচাপে পৰিচিত বিশিষ্ট কবি, সাহিত্যিক, শিক্ষাবিদ নৱকান্ত বৰুৱাৰ ৯৯ সংখ্যক জন্মবাৰ্ষিকীত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। অসমীয়া আধুনিক কবিতাৰ নৱজাগৰণৰ বাহকৰূপে সন্মানিত বৰুৱাৰ কবিতাসমূহৰ ভাৱ আৰু ভাষাই সাম্প্ৰতিক সময়তো জনমানসক আলোড়িত কৰে।

**কবিতা (১)**

আধুনিক অসমীয়া কবিতাক অনন্য মাত্ৰা প্ৰদান কৰি যোৱা কবিগৰাকীৰ কবিতাসমূহত জীৱনৰ অনুপম সৌন্দৰ্য, মৃত্যু ৰহস্য আৰু প্ৰেমৰ অনন্য ৰূপ প্ৰতিভাত হৈছে।

**কবিতা (২)**

হেৰ অৰণ্য, হে মহানগৰ, ৰত্নাকৰ, এটি দুটি এঘাৰটি তৰাকে ধৰি কেইবাখনো কাব্য সংকলন ৰচনা কৰা বৰুৱাৰ ককাদেউতাৰ হাড় উপন্যাসখনে ১৯৭৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে। ১৯৯৩ চনত অসম উপত্যকা সাহিত্য বঁটা, ১৯৯৮ চনত কমল কুমাৰী বঁটাৰ লগতে ১৯৭৬ চনত পদ্মভূষণ সন্মানেৰে তেওঁ সন্মানিত হৈছিল। কেইবাখনো মননশীল প্ৰৱন্ধ সংকলন, অনুবাদ সাহিত্য, নাটক আৰু বিশেষকৈ শিশু মনস্তত্ব উপলব্ধি কৰি লিখা শিশু ৰচনাসমূহে সাহিত্যিকগৰাকীৰ অসমীয়া সাহিত্যলৈ বহুমুখী অৱদানকে প্ৰতিফলিত কৰে। আজি কবিতাৰ দিন উপলক্ষে সাহিত্যিকগৰাকীৰ স্মৃতিত গুণমুগ্ধসকলে শ্ৰদ্ধা তৰ্পন কৰিছে।

সাহিত্যিকগৰাকীৰ জন্মবাৰ্ষিকী উপলক্ষে এটা বাৰ্তাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে তেওঁৰ অৱদানেৰে অসমৰ সাহিত্য আৰু শিক্ষাৰ জগতে সমৃদ্ধিৰ নতুন ভাষা লাভ কৰিছিল।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থ মেলাৰ আজি ষষ্ঠদিন। গ্ৰন্থমেলাত আজি **অসমীয়া উপন্যাসত সমাজ বাস্তৱতা ঃ সাম্প্ৰতিক কথন** শীৰ্ষক এখন আলোচনা সত্ৰ অনুষ্ঠিত হ’ব। আলোচনা সত্ৰখন উদ্বোধন কৰিব বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী আৰু সঞ্চালনা কৰিব অনুৰাধা শৰ্মা পূজাৰীয়ে। আলোচনা সত্ৰখনত বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ বিমল মজুমদাৰ আৰু ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা লিপিকা তালুকদাৰে আলোচক অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

গ্ৰন্থমেলাত কালি বছৰৰ অন্তিমটো দেওবাৰে গ্ৰন্থপ্ৰেমীৰ সমাবেশত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। গ্ৰন্থ মেলাৰ পঞ্চম দিনটো **শিশুৰ দিন** হিচাপে উদযাপন কৰা হয়।

০০০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- চি বি এছ্ ইয়ে ফেব্ৰুৱাৰীত হ'বলগীয়া কেন্দ্ৰীয় শিক্ষক যোগ্যতা নিৰূপণকাৰী পৰীক্ষা চি-টেটৰ একবিংশ সংস্কৰণৰ বাবে অনলাইন আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা প্ৰাৰ্থীসকলক সকাহ প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। চি বি এছ্ ইয়ে জাৰি কৰা অধিসূচনা অনুসৰি এই পৰীক্ষাৰ বাবে যোৱা ২৭ নৱেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ অনলাইন আবেদনৰ প্ৰক্ৰিয়া মুকলি আছিল যদিও সময়সীমা উকলি যোৱাৰ পাছত পৰিষদে প'ৰ্টেলৰ বিসংগতিৰ বাবে আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা বুলি একাংশ শিক্ষাৰ্থীৰ পৰা অভিযোগ লাভ কৰিছিল। পৰিষদে বিষয়টো চালিজাৰি চাই পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰা অথচ আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰা এক লাখ ৬১ হাজাৰৰো অধিক শিক্ষাৰ্থীক আবেদন সম্পূৰ্ণ কৰাৰ সুযোগ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০০

দেশত পানকাৰ্ড আৰু আধাৰকাৰ্ড সংযোগৰ বাবে অন্তিম সময়সীমা অহা ৩১ ডিচেম্বৰ ধাৰ্য কৰা হৈছে। নাগৰিকে কৰ আদায় দিয়াৰ সময়ত ব্যক্তিৰ আধাৰ আৰু পানকাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক কৰা হৈছে। ২০২৪ চনৰ ১ অক্টোবৰতে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন কৰাৰ এটা নিৰ্দেশ জাৰি কৰা হৈছিল আৰু পাছত এই সময়সীমা ২০২৫ চনৰ ৩ এপ্ৰিললৈ পুনৰ বৃদ্ধি কৰা হৈছিল। ৩১ ডিচেম্বৰৰ পূৰ্বে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন নকৰিলে এহেজাৰ টকাকৈ জৰিমণা ভৰিব লাগিব, অন্যথা পানকাৰ্ডসমূহ নিষ্ক্ৰিয় কৰি দিয়া হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। এই সময়সীমাৰ ভিতৰত আধাৰ আৰু পান সংলগ্ন নকৰিলে ২০২৬ বৰ্ষৰ টিডিএছ আৰু টি চি এছ ধনৰাশি ঘূৰাই দিয়া নহ'ব।

০০০০০০০

দক্ষিণ শালামাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত ২৭ ডিচেম্বৰৰ পৰা ৫৯ সংখ্যক আন্তঃ জিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত ল'ৰাৰ শাখাত ২৪ টা দলে আৰু ছোৱালীৰ শাখাত ১৫ টা দলে ভাগ লৈছে। কালি কোৱাৰ্টাৰ ফাইনেলৰ সামৰণিত ছোৱালীৰ শাখাত ডিব্ৰুগড়, মৰিগাঁও, ধেমাজি আৰু শিৱসাগৰে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ল'ৰাৰ শাখাত বিজনী, তেজপুৰ, চিৰাং, শালবাৰী, নলবাৰী, গহপুৰ, গুৱাহাটী আৰু দক্ষিণ কামৰূপে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত হাইলাকান্দি জিলাত ৰূপায়িত উন্নয়নমূলক আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত জিলা আয়ুক্ত অভিষেক জৈনৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ হাইলাকান্দিৰ সংবাদদাতা নীলোৎপল দেৱে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

**সমাপ্ত**